**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্র সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত আজি মুখ্য অতিথি হিচাপে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অংশগ্ৰহণ।

২। ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল।

৩। চলিত বছৰৰ অক্টোবৰত বটদ্ৰৱা প্ৰকল্পৰ কাম সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে বুলি স্থান পৰিদৰ্শনৰ পাছত মুখ্যমন্ত্ৰীৰ ঘোষণা।

৪। ৰাজ্যত মাধ্যমিক স্তৰৰ ২ হাজাৰ খন বিদ্যালয়ৰ ভৱন নতুনকৈ নিৰ্মাণ কৰা হ’ব বুলি শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগুৰ মন্তব্য। **আৰু**

৫। ডেলহী কেপিটেলছক পৰাস্ত কৰি মহিলাৰ প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত দ্বিতীয়বাৰৰ বাবে মুম্বাই ইণ্ডিয়ানছৰ খিতাপ দখল।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্র সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। শ্ৰীশ্বাহক আদৰিবলৈ বডোফা পথাৰত দুটাকৈ অস্থায়ী হেলিপেড নিৰ্মাণ কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কালি দেৰগাঁৱত নতুন ৰূপত সজাই তোলা অত্যাধুনিক লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰাৰ লগতে একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। এই উপলক্ষে আয়োজিত জনসভাত ভাষণ দি তেওঁ কয়, যে অসম দ্ৰুত গতিত বিকাশৰ দিশে অগ্ৰসৰ হৈছে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰাজ্যখনলৈ শান্তি ঘূৰি আহিছে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ প্ৰচেষ্টাৰ বাবে ৰাজ্যখনৰ প্ৰায় আটাইবোৰ উগ্ৰপন্থী গোট শান্তি আলোচনাৰ বাবে আগবাঢ়ি আহিছে আৰু কেইবাটাও গোটে অস্ত্ৰ সম্বৰণো কৰিছে। ৰাজ্যখনত শান্তি বিৰাজ কৰিছে আৰু ইয়াৰ ফলস্বৰূপে ব্যৱসায় খণ্ডৰ উন্নয়ন ঘটিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ব্যৱসায়ী খণ্ডৰ উন্নয়নৰ ফলত যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হৈছে। তেওঁ লগতে কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ বিভিন্ন প্ৰকল্পৰ বাবে তিনি লাখ কোটি টকা যোগান ধৰিব আৰু ইয়াৰ ফলত আন্তঃগাঁথনি খণ্ড শক্তিশালী হৈ উঠিব।

অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে আজিৰ দিনটো ৰাজ্যখনৰ আৰক্ষীৰ বাবে এটা সোণালী দিন আৰু বীৰ লাচিত বৰফুকনলৈ এয়া প্ৰকৃত শ্ৰদ্ধাঞ্জলি। ৰাজ্য চৰকাৰে দেৰগাঁও পুলিচ একাডেমী চৌহদত আৰক্ষী চিকিৎসা মহাবিদ্যালয় স্থাপনৰো পৰিকল্পনা কৰিছে বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে। তেওঁ কয়, যে পূৰ্বৰ দশকসমূহৰ তুলনাত ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি উন্নত হৈছে আৰু অপৰাধৰ হাৰ ৫০ শতাংশৰো অধিক হ্ৰাস পাইছে।

দেৰগাঁৱৰ অনুষ্ঠানৰ পাছতে গৃহমন্ত্ৰীগৰাকী আইজললৈ যায়। তাত তেওঁ দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫

কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'য়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কালি নিশাটো আইজলৰ ৰাজভৱনত কটায়। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ আজি গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলত নতুন ফৌজদাৰী আইন তিনিখনৰ ৰূপায়ণ সন্দৰ্ভত অঞ্চলটোৰ আঠোখন ৰাজ্যৰ মুখমন্ত্ৰীৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব।

০০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে তেওঁলোকৰ মনোনয়ন দাখিল কৰে। পৰিষদৰ অন্তৰ্গত মুঠ ৩৬টা সমষ্টিৰ ভিতৰত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মুঠ ৫৫ গৰাকী আৰু কামৰূপ জিলাৰ ১৬টা সমষ্টিৰ বাবে ৫২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

কামৰূপ জিলাৰ ১৬টা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীসকলে সংশ্লিষ্ট সহকাৰী ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ মনোনয়ন পত্ৰসমূহ দাখিল কৰে। বামুনীগাঁও পৰিষদৰ বাবে মনোনয়ন দাখিলৰ সময়ত বিজেপি প্ৰাৰ্থীগৰাকীৰ লগত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে। এইবেলি ৰাভা-হাচং পৰিষদীয় নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু বিজেপিৰ দলে পূৰ্বৰ মিত্ৰতা অক্ষুণ্ণ ৰাখি নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সেয়েহে ৩৬টা পৰিষদীয় সমষ্টিৰ ভিতৰত ৩০টাত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু ৬টা বিজেপি দলে প্ৰাৰ্থী দিয়ে। উল্লেখযোগ্য অহা ১৭ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থীসকলে ১৯ মাৰ্চৰ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব আৰু একেদিনাই বিয়লি নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০

চলিত বছৰৰ অক্টোবৰত বটদ্ৰৱা প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'ব বুলি  মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰকল্পস্থলী পৰিদৰ্শন কৰি ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰকল্পৰ কাম-কাজ দ্ৰুত গতিত চলি আছে আৰু ছমাহৰ ভিতৰত এই কাম সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে। দৌল উৎসৱ উপলক্ষে কালি বটদ্ৰৱাত গোসাঁইৰ ওচৰত সেৱা লোৱাৰ পাছত ভকত-বৈষ্ণৱৰ সৈতে মত-বিনিময় কৰি এই কথা প্ৰকাশ কৰে। তেওঁ লগতে আকাশীগংগাৰ মথাউৰি নিৰ্মাণৰ কামো শীঘ্ৰে সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰে। গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা সম্প্ৰতি সুৰক্ষিত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মহাপুৰুষজনাৰ স্মৃতি আৰু কৰ্মৰাজী সংৰক্ষণৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কালি নগাঁৱত আন কেইবাটাও কাৰ্যসূচীত অংশ লয়। জিলাখনত শীঘ্ৰেই মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে নগাঁও চহৰৰ শিৱনগৰত ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত ৩১ কোটি ৩০ লাখ টকা ব্যয়ৰে নিৰ্মিয়মান ড০ ভূপেন হাজৰিকা কলাতীৰ্থ পৰিদৰ্শন কৰি ইয়াৰ কামকাজৰ বুজ লয়। এই কলাক্ষেত্ৰত প্ৰেক্ষাগৃহ, কলাবিথিকা, পুথিভঁৰালকে ধৰি বিভিন্ন সুবিধা উপলব্ধ হ'ব। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগক ছমাহৰ ভিতৰত প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। ড০ শৰ্মাই কালি নগাঁৱৰ কৰৈয়নীৰ সাৰ্বজনীন হেজাৰী ভাওনা মহোৎসৱত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত দিয়া ভাষণত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নিৰ্মাণ কৰি থৈ যোৱা ৰাজ্যখনৰ আধ্যাত্মিক ভেটিটোৱে নতুন প্ৰজন্মৰ চিন্তা-চেতনাৰ উত্তৰণত সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে মন্দিৰটোৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে এক কোটি টকা আগবঢ়োৱাৰ

কথা ঘোষণা কৰে। ড০ শৰ্মাই নগাঁও চহৰৰ সৌন্দৰ্যবৰ্ধনৰ লক্ষ্যৰে নিৰ্মিয়মান মৰিকলং বিলৰ পাৰত উদ্যানৰ কামৰ অগ্ৰগতিৰ খতিয়ান লয়।০০০০

০০০০০০

ৰাজ্যত মাধ্যমিক স্তৰৰ ২ হাজাৰ খন বিদ্যালয়ৰ ভৱন নতুনকৈ নিৰ্মাণ কৰা হ'ব। শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগুৱে কালি কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰাৰ বাশবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া নতুন দুমহলীয়া ভৱনৰ আধাৰশিলা স্থাপন কৰি এই কথা প্ৰকাশ কৰে। ইয়াৰে অংশ হিচাপে ২০২৪-২৫ বৰ্ষৰ ৪৭৮ খন বিদ্যালয়ৰ ভৱন সম্পূৰ্ণকৈ নতুনকৈ নিৰ্মাণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০

অসম চৰকাৰে নতুনকৈ গঠন কৰা প্ৰজিকিউচন সঞ্চালকালয়ৰ প্ৰথমগৰাকী সঞ্চালক হিচাপে অধিবক্তা মাখন ফুকনক নিযুক্তি দিয়া হৈছে। গৃহ আৰু ৰাজনৈতিক বিভাগে কালি এই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰে। একেদৰে সঞ্চালকালয়ৰ উপ-সঞ্চালক হিচাপে অধিবক্তা ধনেশ দাস, শান্তনু ভট্টাচাৰ্য আৰু মানস হালৈক নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে, প্ৰথমগৰাকী সঞ্চালক হিচাপে নিযুক্তি লাভ কৰা মাসন ফুকনে ২০০৪ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি আৰম্ভ কৰিছিল। পৰৱৰ্তী পৰ্যায়ত ফুকনে কেন্দ্ৰীয় চৰকাৰৰ অধিবক্তা আৰু অতিৰিক্ত লোক অধিবক্তা হিচাপে দায়িত্ব পালন কৰি ২০২১ চনৰ পৰা অসম চৰকাৰৰ লোক অধিবক্তা হিচাপে নিয়োজিত হৈ আছিল।  মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই সন্দৰ্ভত কয়, যে নিৰপেক্ষ আৰু দক্ষ ন্যায় প্ৰদান ব্যৱস্থা গঢ়ি তোলাৰ বাবে সঞ্চালকালয় গঠন কৰা অসম দেশৰ অন্যতম ৰাজ্য হিচাপে পৰিগণিত হৈছে।

০০০০০০

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত আৰু উত্তৰ-পূব ক্ষেত্ৰ সাংস্কৃতিক কেন্দ্ৰ অৰ্থাৎ NEZCC ৰ সহযোগত কালি গুৱাহাটীৰ শিল্পগ্ৰামত মহানগৰীৰ বিভিন্ন সংবাদ মাধ্যমত কৰ্মৰত একাংশ সাংবাদিকে **গান্ধাৰীৰ অভিশাপ** নামৰ ভাওনা এখনি পৰিৱেশন কৰে। অসমীয়া ভাষাত পৰিৱেশিত এই ভাওনাখনিৰ উদ্বোধনী অনুষ্ঠানত সংগীত-নাটক একাডেমী বঁটাৰে সন্মানিত বিশিষ্ট নৃত্য শিল্পী শাৰদী শইকীয়া, গোবিন্দ শইকীয়া বৰবায়ন, ৰঞ্জুমণি শইকীয়া, বিশিষ্ট অভিনেত্ৰী চেতনা দাস, অসম চলচ্চিত্ৰ উন্নয়ন আৰু বিত্ত নিগমৰ উপাধ্যক্ষ আলেখ্য বৰুৱা, জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ঋতুপৰ্ণ দাসৰ পৰিকল্পনা আৰু ড০ দীপেন দাসৰ পৰিচালনাৰে পৰিৱেশিত এই ভাওনাখন উপভোগ কৰিবলৈ ভালেসংখ্যক লোকৰ সমাগম হয়। প্ৰায় চাৰি ঘণ্টাজোৰা এই ভাওনাখনত অপেচাদাৰী শিল্পীসকলৰ পেচাদাৰী আৰু আকৰ্ষণীয় অভিনয়ে দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখে। এই ভাওনাখনৰ সূত্ৰধাৰৰূপে ইমন অনুৰাগ, কৃষ্ণৰ চৰিত্ৰত বিমল ভূষণ মহন্ত, গান্ধাৰীৰ চৰিত্ৰত এঞ্জেলা চাংমাই, ধৃতৰাষ্ট্ৰৰ চৰিত্ৰত মৃগাংক শইকীয়া, কৰ্ণৰ চৰিত্ৰত শোণিত কুমাৰ ভূঞা আৰু শকুনিৰ চৰিত্ৰত অভিনয় কৰে অভিজিৎ গোস্বামীয়ে। .......... ***(বাইট ঃ সংলাপ)***

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত এই ভাওনাৰ বিষয়ে বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব।

০০০০০০

পৰিৱৰ্তিত সময়তো দৌল উৎসৱ আৰু ফাকুৱাই অনুৰূপ উৎসাহ-উদ্দীপনাৰে জনসাধাৰণক একত্ৰিত কৰি ৰাখিবলৈ সমৰ্থ হৈছে। পূৰ্বে প্ৰাকৃতিক উপাদানেৰে ৰঙৰ উৎসৱ উদযাপন কৰা হৈছিল আৰু এতিয়া সময়ৰ পৰিৱৰ্তন অনুসৰি প্ৰাকৃতিকভাৱে প্ৰস্তুত কৰাৰ ৰঙৰ লগতে কৃত্ৰিম ৰং ব্যৱহাৰ কৰা হয় যদিও অসমৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত এতিয়াও আধ্যাত্মিক পৰম্পৰা বজাই ৰাখি এই উৎসৱ উদযাপন কৰা হয়। আকাশবাণী গুৱাহাটীৰ ফাকুৱা বা দৌল উৎসৱৰ ৰং শীৰ্ষক বিশেষ দৃষ্টিপাত অনুষ্ঠানত কালি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আৰু আমাৰ সংবাদদাতাই এই উৎসৱৰ পৰিৱৰ্তন আৰু আকৰ্ষণ সম্পৰ্কত মত ব্যক্ত কৰে। অনুষ্ঠানত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পৰম্পৰাগতভাৱে উদযাপনৰ আৰম্ভণি কৰা দৌল উৎসৱৰ লগতে বংগত কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে আৰম্ভ কৰা হলী উৎসৱৰ তাৎপৰ্য সম্পৰ্কেও কেইবগৰাকীও বিশিষ্ট ব্যক্তিয়ে ব্যক্ত কৰে। এই অনুষ্ঠানত ডিব্ৰুগড়ৰ অৱসৰী অধ্যাপক লোহিত শইকীয়াই এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে। .............. ***(বাইট ঃ লোহিত শইকীয়াই)***

অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

oooooo

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি দেৰগাঁৱত ১৬৭ কোটি ৪০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰি আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ বাতৰিটো ভিন ভিন শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতৰ শিৰোনাম লাচিতৰ শৌৰ্য-বীৰ্য এতিয়া দেশত প্ৰচাৰ হৈছে। একেটা বাতৰিকে দৈনিক জনমভূমি, আমাৰ অসম, দি ছেণ্টিনেল কাকতে ফটোসহকাৰে মুখ্য বাতৰিত স্থান দিছে।

মহাকাশচাৰী সুনীতা উলিয়ামছ আৰু বুশ্ব উইলমোৰক উভতাই অনাৰ বাবে মহাকাশ যানখন ৰাওনা হোৱাৰ বাতৰি দৈনিক অসম কাকতে **দুই মহাকাশচাৰীক ওভতাই আনিবলৈ মহাকাশযান প্ৰেৰণ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে কালি মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰাৰ বাতৰিটো দৈনিক অগ্ৰদূত, অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, গীতিকাৰ, সুৰকাৰ তথা সংগীত শিল্পী ড০ লক্ষ্যহীৰা দাসৰ মৃত্যুৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে অসমৰ বিকাশ আৰু আন্তঃগাঁথনি উন্নত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে অধিক গুৰুত্ব প্ৰদান কৰা সন্দৰ্ভত কালি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৰা মন্তব্যক GOVERNMENT FOCUSED ON DEVELOPING ASSAM শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰে দেৰগাঁও পুলিচ একাডেমী চৌহদত আৰক্ষী চিকিৎসা মহাবিদ্যালয় স্থাপনৰো পৰিকল্পনা কৰিছে বুলি কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যক নিয়মীয়া বাৰ্তা কাকতে পুলিচ মেডিকেল কলেজ স্থাপনৰ চিন্তা ৰাজ্য চৰকাৰৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooo

গণশিল্পী মঘাই ওজা কলাক্ষেত্রই প্ৰতিবছৰে প্ৰদান কৰি অহা গণশিল্পী মঘাই ওজা বঁটা এই বছৰ বিশিষ্ট শিল্পী তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত সঞ্চালক চৈয়দ চাদুল্লা লৈ আগবঢ়োৱা হৈছে। কালি যোৰহাটৰ হাতীগড় নাওশলিয়াত থকা মঘাই ওজা কলাক্ষেত্ৰত সমাজে আয়োজন কৰা গণশিল্পীগৰাকীৰ ৪৫ সংখ্যক মৃত্যু দিৱসত এই ঘোষণা কৰা হয়। উল্লেখযোগ্য যে, চৈয়দ চাদুল্লাই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ দ্বাৰা ১৯৭৭ চনতে গণশিল্পীগৰাকীৰ দীঘলীয়া সাক্ষাৎকাৰ গ্ৰহণ কৰি আৰু তেওঁৰ ঢোলবাদন বাণীবদ্ধ কৰি তেওঁৰ স্থিতি যুগমীয়া কৰি ৰাখিছিল। পৰৱৰ্তী সময়ত তেওঁ মঘাই ওজাক লৈ গীত ৰচনা কৰি আকাশবাণীত বাণীবদ্ধ কৰাৰ লগতে গণশিল্পীগৰাকীৰ জীৱন সম্পৰ্কীয় আলেখ্যও ৰচনা কৰিছিল। অহা ১৯ এপ্ৰিলত মঘাই ওজা কলাক্ষেত্ৰত হ'বলগীয়া বিহু সন্মিলনত এই বঁটা প্ৰদান কৰা হ'ব বুলি কলাক্ষেত্ৰ সমাজে প্ৰকাশ কৰিছে।

০০০০০০

কাজিৰঙাত অহা ২২ মাৰ্চৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে কাজিৰঙা দবা মহোৎসৱৰ আয়োজন কৰা হৈছে। দবা প্ৰতিযোগিতাৰ লগতে মহোৎসৱত শিক্ষাৰ্থীসকলৰ বাবে বিনামূলীয়া দবা কৰ্মশালা, দবা আৰু পৰ্যটন সম্পৰ্কীয় কুইজ, দবা খেলৰ বোলছবি প্ৰদৰ্শনীৰ আয়োজন কৰা হ'ব। কঁহৰাৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান উচ্চ মাধ্যমিক বিদ্যালয়ত ১০ বছৰ অনূৰ্ধ, ১৫ বছৰ অনূৰ্ধৰ আৰু মুকলি শাখাত এই প্ৰতিযোগিতা হ'ব। প্ৰতিটো শাখাৰ প্ৰথম ৫ গৰাকী বিজয়ীয়ে এক লাখতকৈ অধিক মূল্যৰ পুৰস্কাৰ লাভ কৰিব। মহোৎসৱৰ প্ৰথম দিনা স্থানীয় শিক্ষাৰ্থীসকলৰ বাবে দবা কৰ্মশালাৰ আয়োজন কৰা হ'ব। প্ৰতিযোগীসকলে কাইলৈৰ ভিতৰত অংশগ্ৰহণৰ বাবে পঞ্জীয়ন কৰিব পাৰিব।

০০০০০০

মুম্বাই ইণ্ডিয়ানছে যোৱা নিশা মুম্বাইত অনুষ্ঠিত ফাইনেলত ডেলহী কেপিটেলছক ৮ ৰানত পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে মহিলাৰ প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি হৰমনপ্ৰীত কৌৰৰ ৬৬ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৪৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ডেলহী কেপিটেলছে ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৪১ ৰানহে কৰিবলৈ সমৰ্থ হয়। হৰমনপ্ৰীত কৌৰক প্লেয়াৰ অব দ্যা মেচ আৰু নেট ছিৱৰ ব্ৰণ্টক প্ৰতিযোগিতাৰ মোষ্ট ভেলুৱেবল প্লেয়াৰ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড আৰু মণিপুৰৰ ঠাই বিশেষ মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত ত্ৰিপুৰা আৰু মিজোৰামৰ কোনো কোনো ঠাইত পাতলীয়া বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত